জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৩৬৭/২০২০**

<u>উপায়ুক্ত, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, জিলা উন্নয়ন আয়ুক্ত আৰু খণ্ড উন্নয়ন বিষয়াসকলৰ সৈতে ভিডিঅ' কনফাৰেন্স যোগে বিভিন্ন আঁচনিৰ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে</u>

## ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আঁচনিয়ে সামৰি নোলোৱা হিতাধিকাৰী সকললৈ আগবঢ়োৱা ১ হাজাৰ টকা প্ৰদানৰ ক্ষেত্ৰত হোৱা অনিয়মৰ তদন্তৰ নিৰ্দেশ মুখ্যমন্ত্ৰীৰ

**চতুৰ্দশ বিত্ত আয়োগৰ অধীনৰ বিভিন্ন আঁচনিৰ কাম-কাজ অহা তিনিমাহৰ ভিতৰত সম্পূৰ্ণ কৰাৰ বাবে জিলা উপায়ুক্তসকলক মুখ্যমন্ত্ৰীৰ নিৰ্দেশ**

**ৰাইজৰ মতামত, সহযোগিতা আৰু অংশীদাৰিত্বই গণতন্ত্ৰৰ ভেঁটি সুদৃঢ় কৰে ঃ মুখ্যমন্ত্ৰী**

**দিছপুৰ, ১৮ মে'ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আঁচনিৰ কাৰ্ড নথকা ৰাজ্যখনৰ যিসকল হিতাধিকাৰীক চৰকাৰে ১ হাজাৰ টকাকৈ আগবঢ়াইছিল সেই সম্বন্ধে উত্থাপিত অভিযোগ সমূহ তদন্ত কৰি এই বিসংগতিৰ লগত জড়িত থকা বিষয়া- কৰ্মচাৰীসকলৰ বিৰুদ্ধে যাৱতীয় ব্যৱস্থা লোৱাৰ বাবে জিলা উপায়ুক্তসকলক নিৰ্দেশ দিছে। আজি জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভা কক্ষত ৰাজ্যখনৰ জিলাসমূহৰ উপায়ুক্ত, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, জিলা উন্নয়ন আয়ুক্ত আৰু খণ্ড উন্নয়ন বিষয়াসকলৰ সৈতে ভিডিঅ' কনফাৰেন্সযোগে হোৱা পৰ্যালোচনাত মুখ্যমন্ত্ৰী সোণোৱালে এই নিৰ্দেশ দিয়ে।

মুখ্যমন্ত্ৰীয়ে লগতে চতুৰ্দশ বিত্ত আয়োগৰ অধীনৰ বিভিন্ন আঁচনিৰ কাম-কাজ অহা তিনিমাহৰ ভিতৰত সম্পূৰ্ণ কৰাৰ বাবেও জিলা উপায়ুক্তসকলক নিৰ্দেশ দিয়ে। প্ৰয়োজন সাপেক্ষে তিনিটা খেপ (চিফ্‌ট)ত এই আঁচনিসমূহৰ কাম ক্ষিপ্ৰ গতিত সম্পন্ন কৰাৰ ব্যৱস্থা ল'বলৈও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। এই আঁচনিসমূহৰ কাম ৰূপায়ণৰ দিশত সংশ্লিষ্ট খণ্ড উন্নয়ন বিষয়াসকলে প্ৰতি ১০ দিনৰ মূৰে মূৰে জিলা উপায়ুক্তসকলক খতিয়ান দাঙি ধৰাৰ বাবেও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়াৰ লগতে জিলা উপায়ুক্তসকলে এই খতিয়ানৰ ওপৰত তাৎক্ষণিকভাৱে পৰ্যালোচনা কৰি কাম-কাজৰ অগ্ৰগতিৰ খতিয়ান লোৱাৰ বাবেও নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে যিবোৰ আঁচনি ইতিমধ্যে সম্পূৰ্ণ হৈছে সেই আঁচনিসমূহৰ দ্বাৰা সৃষ্ট স্থায়ী সম্পদৰ কেনেধৰণে ব্যৱহাৰ হৈছে ইয়াৰ

পৰ্যালোচনাৰ ব্যৱস্থা কৰিবলৈও উপায়ুক্তসকলক আজিৰ এই ভিডিঅ' কনফাৰেন্সতে নিৰ্দেশ দিয়ে।

ক'ভিড-১৯ৰ ফলত সমগ্ৰ দেশজুৰি কেইবাটাও পৰ্যায়ত আৰোপিত লকডাউনৰ ফলশ্ৰুতিত ৰাজ্যখনলৈ ৰে'ল তথা বিভিন্ন মাধ্যমেৰে অহা প্ৰব্ৰজিত যুৱক-যুৱতীসকলৰ দক্ষতাসমূহ তাৎক্ষণিকভাৱে চিনাক্ত কৰি তেওঁলোকক বিভিন্ন আঁচনিৰ কামত নিয়োজিত কৰাৰ পদক্ষেপ ল'বলৈও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ নিৰ্মাণৰ ক্ষেত্ৰত ভূমি বিবাদে কিছু ক্ষেত্ৰত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰা দিশটোৰ প্ৰতি লক্ষ্য ৰাখি উপায়ুক্তসকলক চাহ বাগিচাৰ শ্ৰমিকৰ ভূমিৰ দিশত বাগিচা পৰিচালকৰ সৈতে আলোচনাৰ মাধ্যমেদি ভূমিৰ আপত্তিবিহীন প্ৰমাণ পত্ৰ লোৱাৰ দিশত ক্ষিপ্ৰ পদক্ষেপ ল'বলৈও নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে চলি থকা আঁচনিসমূহৰ ৰূপায়ণৰ দিশত যাতে কোনো বিসংগতি সংঘটিত হ'ব নোৱাৰে তাৰ বাবে প্ৰতিখন পঞ্চায়তৰ ৱাৰ্ড মেম্বাৰ, বেচৰকাৰী স্বেচ্ছাসেৱী সংস্থাসমূহক আস্থাত লৈ ৰূপায়ণৰ পৰ্যালোচনা কৰাৰ বাবেও নিৰ্দেশ দিয়ে। তদুপৰি এই আঁচনিসমূহত নিয়োজিত শ্ৰমিকসকলৰ প্ৰতিদিনৰ উপস্থিতি ভালদৰে বৰ্তাই ৰখাৰ ব্যৱস্থা ল'বলৈও নিৰ্দেশ দিয়ে যাতে ইয়াত কোনো ধৰণৰ খেলি-মেলিৰ সৃষ্টি নহয়।

মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ প্ৰব্ৰজিত শ্ৰমিকসকলক তাৎক্ষণিকভাৱে যাতে উপাৰ্জনকাৰী কামত নিয়োজিত কৰিব পৰা যায় তেনে ধৰণৰ আঁচনি গ্ৰহণ কৰাৰ বাবেও নিৰ্দেশ দিয়ে। তদুপৰি এইসকল শ্ৰমিকে এনেধৰণৰ আঁচনিৰ জৰিয়তে যাতে ভৱিষ্যতৰ উপাৰ্জনৰ পথ মুকলি কৰিব পাৰে সেই দিশটোৰ ওপৰত বিশেষভাৱে গুৰুত্ব আৰোপ কৰিবলৈও কয়। মুখ্যমন্ত্ৰীয়ে সংশ্লিষ্ট উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়াসকলক প্ৰতিখন পঞ্চায়তৰ বিভিন্ন ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তিসকলৰ সৈতে আঁচনি ৰূপায়ণৰ সন্দৰ্ভত মতা-মত লোৱাৰ বাবেও নিৰ্দেশ দিয়ে। এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে ইয়াৰ জৰিয়তে কামসমূহৰ গুণগত মান অক্ষুন্ন ৰখাৰ উপৰি আঁচনি ৰূপায়ণৰ সম্বন্ধেও জনসাধাৰণৰ মনোভাৱ জানিব পৰা যাব। ইয়াৰ জৰিয়তে পঞ্চায়ত পৰ্যায়ত ৰূপায়িত আঁচনিসমূহত ৰাইজৰ অংশীদাৰিত্ব আৰু দায়বদ্ধতা বৃদ্ধি পাব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে লগতে সংশ্লিষ্ট উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়াসকলক ৰূপায়িত প্ৰতিখন আঁচনি সম্বন্ধে এটা বিস্তৃত টোকা সংশ্লিষ্ট গাঁও পঞ্চায়তৰ সভাপতি তথা সচিবসকলক প্ৰদানৰ পদক্ষেপ ল'বলৈও নিৰ্দেশ দিয়ে, যাতে এই আঁচনি সম্বন্ধে পঞ্চায়ত সভাপতি তথা সচিবসকলে ৰাইজক ভালদৰে অৱগত কৰিব পাৰে।

ভিডিঅ' কনফাৰেন্সযোগে বাৰ্তালাপৰ সময়ত মুখ্যমন্ত্ৰীয়ে আজি প্ৰব্ৰজিত শ্ৰমিকৰ কৰ্ম

সংস্থাপন তথা চতুৰ্দশ বিত্ত আয়োগৰ অধীনৰ বিভিন্ন আঁচনি আৰু এমজিএনৰেগাৰ আঁচনিৰ ৰূপায়ণৰ বিভিন্ন দিশত পৰ্যালোচনা কৰে। পৰ্যালোচনাৰ সময়ত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে খণ্ড উন্নয়ন বিষয়াসকলে নিজ নিজ এলেকাৰ জনসাধাৰণক আস্থা আৰু বিশ্বাসত লৈ কাম কৰাৰ উপৰি কাম-সমূহৰ গুণগত মান বৰ্তাই ৰাখিব লাগিব। গ্ৰাম্য অৰ্থনীতি সৱলীকৰণৰ দিশত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে গুৰুত্বপূৰ্ণ ভূমিকা ল'ব পাৰে বুলি উল্লেখ কৰি তৃণমূল পৰ্যায়ৰ বিভিন্ন আঁচনি ৰাইজক আস্থা আৰু বিশ্বাসত লৈ সম্পাদন কৰাৰ দিশত খণ্ড উন্নয়ন বিষয়াসকলে গুৰুত্বপূৰ্ণ ভূমিকা ল'ব লাগিব। ৰাইজৰ মতামত, সহযোগিতা আৰু অংশীদাৰিত্বই গণতন্ত্ৰৰ ভেঁটি সুদৃঢ় কৰে বুলি উল্লেখ কৰি জাতিৰ পিতা মহাত্মা গান্ধীয়ে পঞ্চায়তীৰাজ ব্যৱস্থাৰ জৰিয়তে তৃণমূল পৰ্যায়ত গণতান্ত্ৰিক ব্যৱস্থাত ৰাইজৰ সক্ৰিয় অংশ গ্ৰহণেৰে ৰাম ৰাজ্য  স্থাপনৰ সপোন দেখিছিল বুলিও মুখ্যমন্ত্ৰীয়ে কয়। সেয়েহে জাতিৰ পিতাগৰাকীৰ এই সপোন বাস্তৱায়িত কৰাৰ বাবে সুপ্ৰশাসনৰ লগতে আঁচনিসমূহ ৰূপায়ণৰ দিশত গুণগত মান বৰ্তাই ৰাখিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয় যাতে ইয়াৰ দ্বাৰা ৰাইজ উপকৃত হ'ব পাৰে। এনেকুৱা দৃষ্টিভংগীৰে কাম-কাজ অব্যাহত ৰাখিবলৈ খণ্ড উন্নয়ন বিষয়াসকলক নিৰ্দেশ দি মুখ্যমন্ত্ৰীয়ে কয় যে এনে কৰিলেহে বিভিন্ন আঁচনিৰ সুফল জনসাধাৰণে লাভ কৰি গ্ৰাম্য অৰ্থনীতি শক্তিশালী হৈ পৰিব।

আজিৰ ভিডিঅ' কনফাৰেন্সত মুখ্যমন্ত্ৰীৰ লগত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী নৱ কুমাৰ দলে, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ স্বতন্ত্ৰ ৰাজ্যিক মন্ত্ৰী যোগেন মহন, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ প্ৰধান সচিব জে বি এক্কা, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সঞ্জয় লোহিয়া, মুখ্যমন্ত্ৰীৰ বিশেষ আয়ুক্ত ৰঞ্জন চক্ৰৱৰ্তী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ সচিব হেমেন দাসৰ লগতে জিলাসমূহৰ উপায়ুক্ত, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, জিলা উন্নয়ন আয়ুক্ত আৰু খণ্ড উন্নয়ন বিষয়াসকলে অংশগ্ৰহণ কৰে।

**বীঃগঃ/ বঃভাঃ / পুঃ ডেঃ / প্ৰঃকুঃবঃ**
**১৮/৫/২০২০**